ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

AGENCE FRANÇAISE DE DÉVELOPPEMENT

# খ্ৰীষ্টানবস্তি যুটীয়া বন পৰিচালনা সমিতি
# (জে এফ এম চি)

**নগাঁও দক্ষিণ বনাঞ্চলিক, লামডিং বন সংমণ্ডল**

**উত্তৰ অসম চক্ৰ**

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)

**খ্ৰীষ্টানবস্তি যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

**[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) আৰু (CML) ]**

জুলাই, ২০১৬

Approved

Divisional Forest Officer
Nagaon South Division
Hojai.

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ এফ ডি (AFD) | এজেন্সী ফ্ৰান্স ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প (আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ পভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| | |
| কম্পেল' (COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| চি এম এল (CML) | চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুড (ক্ষুদ্ৰ বিত্তীয় আৰু জীৱিকা কেন্দ্ৰ) |
| ডি এফ অ' (DFO) | সাংমণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ উন্নয়ন সমিতি (ইক'-ডেভেলপমেণ্ট কমিটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন (সংৰক্ষণ) আইন, ১৯৮১ (ফৰেষ্ট (কনজাৰভেচন) এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইটছ এক্ট) |
| এফ ভি (FV) | বন আইন (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চবাৰ্ষিক পৰিকল্পনা (ফাইভ য়েৰ প্লেন) |
| জি এইচ জি (GHG) | সেউজ গৃহ গেছ (গ্ৰীণ হাউছ গেছ) |
| জি অ' আই (GOI) | ভাৰত চৰকাৰ (গৱৰ্ণমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিয়ৰশ্বিপ) |
| | |

# খ্ৰীষ্টানবস্তি যুটীয়া বন পৰিচালনা সমিতি
## নগাঁও দক্ষিণ বনাঞ্চলিক, লামডিং বন সংমণ্ডল

## ১০ বছৰৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা
## (জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা)

<u>সূচীপত্ৰ</u>


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | ৪ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ৬ |
| ৩ | জীৱিকাৰ সুযোগসমূহৰ বিশ্লেষণ | ১২ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১৮ |
| ৫ | বন উন্নয়ন পৰিকল্পনা | ১৯ |
| ৬ | **পৰিশিষ্ট তালিকা-১**<br>**জীৱিকা সৃষ্টি কাৰ্যসূচীৰ বাবে চিনাক্ত কৰা হিতাধিকাৰীৰ তালিকা**<br>**(১) খাদ্য সংসাধন** | ৩৭ |

## ১। ভূমিকা

| | |
|---|---|
| **প্ৰকল্পটোৰ সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ লক্ষ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হিচাপে কোৱা হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br>এই প্ৰকল্পটোলৈ মূলতঃ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিচ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো দায়িত্ব বহন কৰিছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটীয়ে। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদৰ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ দক্ষতা বৃদ্ধি কৰাৰো প্ৰয়োজন।<br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান। বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ হোজাই জিলাত অৱস্থিত খ্ৰীষ্টানবস্তি জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ জৰিয়তে গাঁওবাসীৰ প্ৰয়োজনীয়তাৰ বিস্তৃত বিশ্লেষণ এই নথিত সন্নিৱিষ্ট হৈছে। এই জে এফ এম চি লামডিং বন সংমণ্ডলৰ দক্ষিণ নগাঁও বন সংমণ্ডলৰ অন্তৰ্গত। পৰৱৰ্তী অধ্যায়ত সম্প্ৰদায়সমূহৰ সবিশেষ উল্লেখ কৰা হৈছে। |

| | |
|---|---|
| | এই ক্ষুদ্ৰ পৰিকল্পনা গাঁওখনত বাস কৰা সম্প্ৰদায়সমূহৰ পুৰুষ আৰু মহিলাসকলৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। ২০১৬ চনৰ জুন মাহত ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ, গুৱাহাটীৰ বিষয়ববীয়া আৰু সম্প্ৰদায়টোৱে গ্ৰহণ কৰা অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পি আৰ এ)ৰ জৰিয়তে এই নথি প্ৰস্তুত কৰা হৈছে। প্ৰকল্প নিৰ্দেশনা অনুসৰি আই আই ই-এ এই ক্ষুদ্ৰ পৰিকল্পনা সংযোজিত কৰিছে। এই নথি গ্ৰহণৰ বাবে আলোচনা কৰি চূড়ান্ত কৰা হৈছিল ২০১৬ চনৰ জুলাইত। |

## ২। খ্ৰীষ্টানবস্তি জে এফ এম চিৰ আৰ্থ-সামাজিক ৰূপৰেখা

| | |
|---|---|
| **অৱস্থিতি** | খ্ৰীষ্টানবস্তি দক্ষিণ নগাঁও বন সংমণ্ডলৰ অন্তৰ্গত, লামডিং সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত এখন গাঁৱৰ বাসিন্দাক সামৰি খ্ৰীষ্টান বস্তি যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি) গঠন কৰা হয়। উক্ত জে এফ এম চিৰ অন্তৰ্গত এলেকা অসমৰ হোজাই জিলাৰ লামডিং ৰাজহ চক্ৰৰ অন্তৰ্গত।<br><br>**পৰিশিষ্ট ১ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে।** |
| মূল তথ্য | **জে এফ এম চিৰ মূল তথ্যসমূহ তলত দিয়া হ'ল।** |

**তালিকা-ক ঃ জে এফ এম চিৰ মূল তথ্যসমূহ।**

| | |
|---|---|
| **জে এফ এম চিৰ নাম** | খ্ৰীষ্টানবস্তি |
| **বাসস্থান** | খ্ৰীষ্টানবস্তি |
| **ৰাজহ গাঁৱৰ নাম** | খ্ৰীষ্টানবস্তি |
| **গাঁও পঞ্চায়ত/ভি চি ডি চি** | পূব লামডিং গাঁও পঞ্চায়ত |
| **ৰাজহ চক্ৰৰ নাম** | লংকা চক্ৰ |
| **জিলা** | হোজাই |
| **বন সংমণ্ডল** | দক্ষিণ নগাঁও সংমণ্ডল |
| **বন আঞ্চলিক** | লামডিং |
| **বন লাট** | বৰলাংফৰ |
| **গঠনৰ বৰ্ষ** | ২০০৮ |
| **জে এফ এম চিৰ চাৰিসীমাৰ** বৰ্ণনা | তলত উল্লেখ কৰা ধৰণে ঃ<br>উত্তৰ ঃ লামডিং-ডিফু পথ<br>দক্ষিণ ঃ লামডিং ৰে'ল ষ্টেচন<br>পশ্চিম ঃ ৰাষ্ট্ৰীয় ঘাই পথ ৫৪<br>পূব ঃ পটুপথাৰ গাঁও |

**উৎস ঃ** জে এফ এম চি তথ্য আৰু ২০১৬-ৰ জুনত হোৱা পি আৰ এ অনুশীলনৰ আলোচনা।

অতিৰিক্ত বৰ্ণনা তথ্য-১ তালিকা-১ (নথি পৰিশিষ্টত সন্নিবিষ্ট)

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>খ্ৰীষ্টানবস্তি যুটীয়া বন পৰিচালনা সমিতিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>
তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>বিশ্বজিত দাস</td></tr>
<tr><td>সদস্য সচিবৰ নাম</td><td>নবীন চন্দ্ৰ হাজৰিকা, বন বিষয়া-১</td></tr>
<tr><td>কোষাধ্যক্ষৰ নাম</td><td>ধ্ৰুৱ ছেত্ৰী</td></tr>
<tr><td>কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ ৮, মহিলা ঃ ৬</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>২০০</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ তথ্য।</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনসংখ্যা গাঁথনি</td>
<td>গাঁওখনত বাস কৰা পৰিয়ালৰ সংখ্যা হৈছে ২০০টা। ইয়াৰ ভিতৰত ২০০টা পৰিয়ালে দৰিদ্ৰ সীমাৰেখাৰ তলত। মহিলা মুৰব্বী থকা পৰিয়াল গাঁওখনত ১৫টা। গাঁওখনৰ মুঠ জনসংখ্যা হৈছে ১১৩২জন। ইয়াৰে ৫৮৫জন পুৰুষ আৰু ৫৪৭গৰাকী মহিলা। ১১৩২জন ভিতৰত ৫৮৫জন অনুসূচিত জাতিৰ, ১৫০জন অন্যান্য পিছপৰা শ্ৰেণীৰ আৰু ২৯৪জন সাধাৰণ শ্ৰেণীৰ।<br><br>
উপৰোক্ত তথ্যৰ অধিক বিৱৰণৰ বাবে তালিকা-২ তথ্য-১ত চাব পাৰে।<br><br>
ইয়াৰ পৰা জনা যায় যে ঃ<br><br>
(১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৫৬৬ গৰাকী।<br><br>
(২) গাঁওখনৰ লিংগ অনুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে ৯৩৫গৰাকী মহিলা।</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা বিকাশ</td>
<td>খ্ৰীষ্টানবস্তি গাঁৱৰ ৭৭.৪ শতাংশতকৈ অধিক লোক শিক্ষিত বুলি চিহ্নিত। গাঁওখনৰ অধিকাংশ লোকেই বিদ্যালয় পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। আনহাতে তুলনামূলকভাৱে কমসংখ্যক পৰিয়ালত মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষাপ্ৰাপ্ত সদস্য আছে।<br><br>
জীৱিকা উন্নয়নৰ দক্ষতা সমূহক বিভিন্ন ধৰণেৰে সামৰি লোৱা হৈছে। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক— এই দুই ধৰণৰ জীৱিকা উন্নয়ন কাৰ্যসূচী জে এফ এম চিটোত গ্ৰহণ কৰি অহা হৈছে। খ্ৰীষ্টান বস্তি যুটীয়া বন পৰিচালনা সমিতিত অনানুষ্ঠানিক দক্ষতা উন্নয়নৰ অৰ্থ হৈছে পৰম্পৰাগতভাৱে পোৱা দক্ষতা। তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত বিভিন্নজনৰ পৰম্পৰাগত দক্ষতা দেখা পোৱা যায় ঃ<br><br>
(ক) মৌপালন<br><br>
(খ) খাদ্য সংসাধন<br><br>
(গ) চিলাই কাৰ্য<br><br>
(ঘ) কাঠৰ আচবাব বনোৱাৰ কাৰ্য<br><br>
সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে কিন্তু এনে কোনো কাৰ্যসূচী এইৰ পৰা</td>
</tr>
</table>

| | |
|---|---|
| | এতিয়ালৈকে গাঁওবাসী উপকৃত হোৱা নাই। কিয়নো গাঁওখন অথবা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত তেনে কোনো আঁচনি ৰূপায়ণ কৰা হোৱা নাই। |
| **ভূমি** | প্ৰকল্প গ্ৰহণ কৰা অঞ্চলৰ ভূমিৰ প্ৰকাৰ এনেধৰণৰ ঃ<br>■ বোকাময় মাটিৰ পলসুৱা দ মাটি আৰু সমান এলেকা।<br>এই ধৰণৰ মাটিয়ে বিভিন্ন ধৰণৰ শস্য উৎপাদনত সহায় কৰে কাৰণ গোটেই মাটিয়েই সাৰুৱা। |
| **পানী** | এলেকাটোৰ বৰলংফুৰ নদীৰ পৰা খালেঙৰ সংযোগ কৰা হৈছে কাৰ্বিআংলংৰ পাহাৰৰ সংযোগত বৈ আহিছে। |
| **জলবায়ু ঃ<br>উষ্ণতা আৰু বৰষুণ** | গ্ৰীষ্মকালত অঞ্চলটোৰ সৰ্বোচ্চ তাপমাত্ৰা হয় ৪৫ ডিগ্ৰী চেলচিয়াছ আৰু শীতকালত সৰ্বনিম্ন তাপমাত্ৰা হৈছে ৫.৫ ডিগ্ৰীচেলচিয়াছ।<br>প্ৰতিবছৰে বাৰ্ষিক বৰষুণৰ পৰিমাণ হৈছে ৬০-১২৫ মিলিমিটাৰ। বাৰিষাৰ সময়ছোৱাত (জুন-ছেপ্টেম্বৰ) সাধাৰণতে এক তৃতীয়াংশ বৃষ্টিপাত হয়।<br>গ্ৰীষ্মৰ সময়ত অৰ্থাৎ বৰষুণৰ মাহকেইটাত গাঁওখনৰ আৰ্দ্ৰতাৰ পৰিমাণ বৃদ্ধি পায় (আৰ্দ্ৰতাৰ পৰ্যায় ৯৯ শতাংশ)। শীতকালত আৰ্দ্ৰতাৰ পৰ্যায় কমি (৩০ শতাংশতকৈও কম) হয়)। লামডিং আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহ বৰষুণৰ প্ৰভাৱ অতি কম আৰু এলেকাটো অতি কম পৰিমাণ বৰষুণৰ। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলসমূহ বিস্তৃতভাৱে সংৰক্ষিত বনাঞ্চলৰ শ্ৰেণীত অন্তৰ্ভুক্ত। মুখ্য বন প্ৰজাতি হ'ল ঃ টিক, অৰ্জুন, বগীপমা। বনাঞ্চলসমূহত এন টি এফ পিৰ পৰ্যাপ্ততা যেনে—মছলা জাতীয়, পাত থকা মছলা, ঠেকীয়া বৰ্গৰ উদ্ভিদ, বনোষধি, বাঁহ, বেত, খেৰ, পশুখাদ্য আৰু ঝাড়ু আদি উৎপন্ন হয়।<br>অতিৰিক্ত তথ্য বন উন্নয়ন পৰিকল্পনাত সন্নিবিষ্ট। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | পৰিশিষ্ট-২এ গাঁৱৰ ভূমি ব্যৱহাৰ ধৰণ উল্লেখ কৰিছে। এই অনুসৰি এইটো দেখা যায় যে ভূমি ব্যৱহাৰ গাঁৱৰ উল্লেখ কৰা হৈছে ঃ<br>খেতি কৰিব পৰা পতিত মাট ঃ ১১.১৪ শতাংশ<br>ডিফু পথ ঃ ০.৭৯ শতাংশ<br>ধাননি পথাৰ ঃ ২০.৮৮ শতাংশ<br>কাঠখৰিৰ বাবে বৃক্ষৰোপিত অঞ্চল ঃ ২২.৬৩ শতাংশ<br>পুখুৰী ঃ ১.০৯ শতাংশ<br>নদী ঃ ০.৯২ শতাংশ<br>পথ ঃ ১.৭১ শতাংশ<br>মীমাংসা সংযুক্ত এলেকা ঃ ৩২.৬৪ শতাংশ<br>জান-জুৰি ঃ ৭.৬২ শতাংশ<br>মুকলি পৰিস্থিত এলেকা ঃ ৭.৬২ শতাংশ |

| | |
|---|---|
| **ভূমি ধাৰণ** | প্ৰতিটো পৰিয়ালৰ ভূমি ধাৰণৰ ধৰণ **তথ্য-(I)ৰ তালিকা-৩ত** উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>■ অঞ্চলটোৰ ১১.৯০ শতাংশ পৰিয়াল ভূমিহীন।<br>■ অঞ্চলটোৰ ৮০.৯৫ শতাংশ পৰিয়াল নিম্ন উপাৰ্জনকাৰী কৃষক (২ হেক্টৰৰ কম)।<br>■ পৰিয়ালৰ ৭.১৪ শতাংশ ক্ষুদ্ৰ শ্ৰেণীৰ কৃষক (২-১০ হেক্টৰ)। |
| **পশুধন** | গাঁওখনৰ মুঠ পশুধনৰ সংখ্যা ৭১৮টা।<br>পৰিয়ালসমূহে প্ৰতিপালন কৰা পশুধনৰ প্ৰকাৰ হৈছে এনেধৰণৰ ঃ<br>গৰু ঃ ২৪০টা।<br>ছাগলী ঃ ১২৪টা।<br>মুৰ্গী /হাঁহ ঃ ৩৫৪টা।<br>ওপৰত উল্লিখিত তথ্যৰ সবিশেষ বিৱৰণ **তথ্য-(I)ৰ তালিকা**-৪ত দাঙি ধৰা হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ নিৰ্বাহক্ষম উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। **তথ্য-(I)ৰ তালিকা-৫ত** গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে। এই তালিকাৰ পৰা গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব পাৰি ঃ<br><br>**বাস্তৱিক আন্তঃগাঁথনি ঃ** অঞ্চলটোৰ বাসিন্দাসকলে মূল বাস্তৱিক আন্তঃগাঁথনিৰ পৰা বঞ্চিত হৈ আহিছে। ইয়াত উন্নত বাস্তৱিক আন্তঃগাঁথনি যেনে ঃ ভাল ৰাস্তা, বিদ্যুৎ, পানী যোগান, ম'বাইল নেটৱৰ্ক আদি উপলব্ধ নহয়।<br><br>**শিক্ষা আৰু স্বাস্থ্য সেৱা সুবিধা ঃ** অঞ্চলটোৰ শিক্ষা ন্যূনতম আৰু স্বাস্থ্য সেৱাৰ ব্যৱস্থা একেবাৰে নাই। ৰাজহুৱা পৰিবহণৰ ব্যৱস্থা পৰ্যাপ্ত নহয়। গ্ৰামাঞ্চলৰ ৰাইজে আহ-যাহৰ বাবে চাইকেল ব্যৱহাৰ কৰে।<br><br>**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয় (যেনে ঃ আৰক্ষী থানা, গাঁও পঞ্চায়ত, ৰাজহ কাৰ্যালয়, বনাঞ্চলিক কাৰ্যালয় আদি) গাঁওখনৰ পৰা যথেষ্ট দূৰৈত অৱস্থিত। এইবোৰলৈ অহা-যোৱা কৰিবৰ বাবে গাঁওখন বা ওচৰৰ অঞ্চলৰ পৰা নিয়মিত ৰাজহুৱা পৰিবহণৰ ব্যৱস্থা নাই।<br><br>**বিত্তীয় প্ৰতিষ্ঠান ঃ** গাঁওখনৰ পৰা বিত্তীয় প্ৰতিষ্ঠান যেনে বেংক, ডাকঘৰ আদি যথেষ্ট দূৰৈত অৱস্থিত। গতিকে অঞ্চলটোৰ মানুহৰ বেংক একাউণ্ট বা ডাকঘৰত জমা-খৰচৰ একাউণ্ট বহু দূৰৱৰ্তী ঠাইত আছে। |

| | |
|---|---|
| **কৃষিশস্য** | খ্ৰীষ্টানবস্তি জে এফ এম চিৰ কৃষিশস্যৰ সবিশেষ **তথ্য-(I)ৰ তালিকা-৬ত** বিশদভাৱে উল্লেখ কৰা হৈছে।<br>উক্ত তালিকাৰ পৰা গাঁওখনত উৎপাদিত শস্যৰ সবিশেষ এনেধৰণৰ ঃ<br>খাৰিফ শস্য ঃ পংকজ, আইজং।<br>ৰবি শস্য ঃ সৰিয়হ।<br>অন্যান্য ঃ আম, কঁঠাল, বন্ধাকবি, বেঙেনা, জলকীয়া, ফুলকবি, বিলাহী, আদি।<br>অধিকাংশ শস্যই বৰ্ষাভিত্তিক। |
| **শস্য উৎপাদনৰ ৰূপৰেখা** | জে এফ এম চিৰ শস্য উৎপাদনৰ সবিশেষ **তথ্য-(I)ৰ তালিকা-৭ত** সন্নিৱিষ্ট কৰা হৈছে।<br>গাঁওখনৰ অধিকাংশ পৰিয়ালৰ সদস্যই বন্ধাকবি, জলকীয়া, পংকজ ধান, আইজং, ধান আদি উৎপাদনৰ লগত জড়িত।<br>শস্য উৎপাদন আৰু উৎপাদিত সামগ্ৰীৰ সবিশেষ তলত দিয়া ধৰণৰ ঃ<br>ক) ধান-উৎপাদন ঃ ৫৪০০ কুইণ্টল, উৎপাদন হাৰ-১১৮.৯৯ কুইণ্টল/হেক্টৰ।<br>খ) শাক-পাচলি- উৎপাদন ঃ ৮২০ কুইণ্টল, উৎপাদন হাৰ-১৪.২৪ কুইণ্টল/হেক্টৰ।<br>গ) সৰিয়হ-উৎপাদন ঃ ২২০ কুইণ্টল, উৎপাদন হাৰ-৭.৬৪ কুইণ্টল/হেক্টৰ। |
| **উপলব্ধ পশুখাদ্য** | গাঁওখনত উপলব্ধ পশুখাদ্যৰ **তথ্য-(I)ৰ তালিকা-৮ত** সন্নিৱিষ্ট কৰা হৈছে। তথ্য অনুসৰি জে এফ এম চিটোৰ পশুখাদ্যৰ মূল উৎসসমূহ হৈছে ঃ<br>ক) শস্যৰ অৱশিষ্ট।<br>খ) বনাঞ্চলৰ মুক্তভূমি।<br>গ) ঘৰুৱা আৱৰ্জনা।<br>ঘ) সেউজীয়া বন। |
| **বজাৰ** | খ্ৰীষ্টানবস্তি যুটীয়া বন পৰিচালনা সমিতিৰ পৰা বিভিন্ন বজাৰৰ অৱস্থানৰ **তথ্য-(I)ৰ তালিকা-৯ত** উল্লেখ কৰা হৈছে। গাঁওবাসীৰ বাবে উপলব্ধ বজাৰসমূহ হৈছে ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ গাঁৱৰ পৰা ১৩ কিলোমিটাৰ দূৰৈৰ লামডিঙত অৱস্থিত।<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ১২ কিলোমিটাৰ দূৰৈত লামডিঙত অৱস্থিত।<br>গ) প্ৰধান বজাৰ ঃ ১২ কিলোমিটাৰ দূৰৈত লামডিঙত অৱস্থিত। |
| **জলসম্পদ** | **তথ্য-(I)ৰ তালিকা-১০ত** জলসম্পদসমূহৰ বিষয়ে সন্নিৱিষ্ট কৰা হৈছে। প্ৰধান জলসম্পদসমূহ এনেধৰণৰ ঃ<br>ক) কুঁৱা ঃ (পানীৰ পৰ্যাপ্ততা ঃ ঋতু অনুযায়ী)<br>খ) দমকল ঃ (পানীৰ পৰ্যাপ্ততা ঃ ঋতু অনুযায়ী) |

| | |
|---|---|
| **শক্তিৰ ব্যৱহাৰ** | খ্ৰীষ্টানবস্তি যুটীয়া বন পৰিচালনা সমিতিৰ শক্তিৰ মূল উৎসসমূহ **তথ্য-(I)**ৰ **তালিকা-১১**ত উল্লেখ কৰা হৈছে।<br>ক)   কাঠখৰি  ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১৮০টা, উৎস ঃ বনাঞ্চল।<br>গ)   বিদ্যুৎ ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১৮০টা, উৎস ঃ চৰকাৰ।<br>খ)   কেৰাচিত ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ২০০টা, উৎস ঃ বজাৰ। |
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁওখনত সাধাৰণ সম্প্ৰদায়ৰ লোকে বাস কৰে হিন্দু বঙালী, বিহাৰী, নেপালী আৰু আদিবাসী সম্প্ৰদায়ে। তেওঁলোকৰ এটা শ্ৰেণী পদ্ধতি আছে। সামাজিকখনত গভীৰ সামাজিকভাৱে বিভাজনৰ প্ৰথা নাই। সমাজত মহিলাৰ স্থান সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওখনৰ বাসিন্দাসকলৰ অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। জীৱিকাৰ মূল পথ হৈছে কৃষিকৰ্ম, দিন হাজিৰা, শাক-পাচলি বিক্ৰী আদি। অধিকাংশ গাঁওবাসীৰ বাৰ্ষিক আয় ৮০,০০০ৰ পৰা ৯০,০০০ টকাৰ ভিতৰত।<br>ইয়াত জীৱিকাৰ বাবে মানুহৰ প্ৰব্ৰজন দেখা নাযায়।<br>অতিৰিক্ত সবিশেষ পিছৰ পৰ্যায়ত সুলভ। |
| **মানচিত্ৰ** | পি আৰ এ অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-**১**ত সন্নিৱিষ্ট কৰা হৈছে।<br>■ গাঁৱৰ মানচিত্ৰ।<br>■ গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)।<br>■ গাঁৱৰ সম্পদৰ মানচিত্ৰ।<br>■ ভেন ডায়েগ্ৰাম।<br>■ চাপাট্টি ডায়েগ্ৰাম। |

## ৩। জীৱিকাৰ সম্ভাৱনীয়তা বিশ্লেষণ

জীৱিকাৰ সম্ভাৱনীয়তা তথা সুবিধাসমূহৰ বিশ্লেষণ প্ৰক্ৰিয়াৰ মাপকাঠি আছিল নিম্ন লিখিত ধৰণৰ।

- জীৱন নিৰ্বাহৰ সম্পদ।
- জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰ।
- সম্ভাব্য জীৱিকাৰ পথৰ অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীকৰণ।

পি আৰ এ অনুশীলনৰ কালত খ্ৰীষ্টান বস্তি জে এফ এম চিৰ জীৱিকা অৰ্জনৰ অৱস্থাসমূহৰ বিশ্লেষণ কৰা হৈছিল। ডি এফ ডি আইৰ স্থায়ী জীৱিকা নিৰ্বাহ কৰ্মসূচী ব্যৱহাৰ কৰি অনুশীলন কালত বিশ্লেষণ আগবঢ়োৱা হয়। বৰ্তমানৰ গাঁওবাসীৰ জীৱন নিৰ্বাহৰ অৱস্থা তলত দিয়া ধৰণেৰে মূল্যায়ন কৰা হৈছে—

- প্ৰাকৃতিক সম্পদ।
- বাস্তৱিক মূলধন।
- সামাজিক মূলধন।
- মানৱ সম্পদ।
- বিত্তীয় মূলধন।

## ৪. প্ৰাকৃতিক সম্পদ

খ্ৰীষ্টানবস্তি জে এফ এম চিৰ মূল প্ৰাকৃতিক সম্পদ হ'ল— চেগুণ, শাল, নিম, অৰ্জুন আৰু অঞ্চলটোৰ একমাত্ৰ নদী বৰলাংফুৰ। অধিকাংশ লোকেই খৰি, গৰুৰ ঘাঁহ, কাঠ আদিৰ বাবে বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল। কৃষিকৰ্ম আৰু পশুধন পালনৰ বাবে গঞা ৰাইজ নদীৰ পানীৰ ওপৰত নিৰ্ভৰশীল। (উল্লেখ কৰা হৈছে- ১০, ১১ আৰু তালিকা-৩ত বিশদভাৱে দিয়া হৈছে)

## ৫. বাস্তৱিক মূলধন

খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বাসিন্দাসকলৰ অধিকাংশ পৰিয়ালেই কৃষিকৰ্মৰ লগত জড়িত। তেওঁলোক উপান্ত কৃষক যাৰ নিজস্ব কৃষিভূমি দুই হেক্টৰতকৈ কম। তেওঁলোকৰ ভূমিধাৰণৰ ধৰণ সম্পৰ্কে তালিকা **৩**/পৰিশিষ্ট **৬**ত বিস্তৃতভাৱে দিয়া হৈছে।

গাঁওখনত ১৭৭টা অৰ্ধপকী ঘৰ আৰু বাকীখিনি পকীঘৰ আছে এইবোৰ ইন্দিৰা আৱাস যোজনাৰ বিত্তীয় সাহাৰ্য্যত গঢ়ি উঠা। গাঁওবাসীয়ে শক্তি আৰ্জনৰ উৎস হিচাপে যেনে—জৈৱ গেছ (বায়'মাছ) আৰু কেৰচিন, বিদ্যুৎ, ৰন্ধন গেছ আৰু মম, গাঁওবাসীয়ে ব্যৱহাৰ কৰা খৰি, কেৰাচিন আদি।

কিছুমানৰ ৰন্ধন গেছ থখা স্বত্ত্বেও নিৰ্ভৰতা খুউব কম (অধিক তথ্য তালিকা **১০** আৰু **১১**ত)।

জে এফ এম চি এলেকাত এখন প্ৰাথমিক বিদ্যালয়, এখন মাধ্যমিক বিদ্যালয়। তাৰ বাহিৰে আন শিক্ষানুষ্ঠান দেখা নাযায়। (তালিকা ৫ত অধিক তথ্য)।

পানীৰ উৎস হিচাপে শতকৰা ৩০ ভাগ পৰিয়ালে দমকল শতকৰা ৪৫ ভাগ দমকল আৰু কুঁৱা ব্যৱহাৰ কৰে।

## ৬. সামাজিক মূলধন

সজাগতাৰ অভাৱত গাঁওবাসীয়ে সম্পূৰ্ণৰূপে জে এফ এম চিৰ কোনো আত্মনিয়োগ নহয় আৰু তেওঁলোকৰ ভূমিকাৰ লাভালাভৰ বিষয়েও জ্ঞাত নহয়।

গাঁওখনত দুটা মহিলা আত্মসহায়ক গোট নাই। তদুপৰি গাঁওখনত এটা মন্দিৰ আছে য'ত ৰাজহুৱা সভা-সমিতি বিলাক হয়।

## ৭. মানৱ সম্পদ

জে এফ এম চিত মুঠ জনসংখ্যাৰ ৭৭.০৪ শতাংশ লোক শিক্ষিত হোৱাৰ বিপৰীতে ৪০ শতাংশ লোক উচ্চ প্ৰাথমিক পৰ্য্যায় অতিক্ৰম কৰিছে। (অধিক তথ্যৰ তালিকা- **৩.৩ত**)।

## ৮. বিত্তীয় মূলধন

জে এফ এম চি এলেকা আৰু ইয়াৰ ওচৰে-পাজৰে কোনো ধৰণৰ চৰকাৰী বেংক বা বিত্তীয় লেনদেনৰ প্ৰতিষ্ঠান নাই। অৱশ্যে গাঁওবাসীয়ে অনানুষ্ঠানিক গোট আৰু আত্মীয়ৰ পৰা ঋণ লয়।

৬৪৬গৰাকী ব্যক্তিৰ বাণিজ্যিক বেংকত একাউণ্ট আছে যদিও তেওঁলোক আৰ্থিক লাভালাভৰ বিষয়ে সজাগ নহয়।

## ৯. জীৱিকা নিৰ্বাহৰ উপায়

খ্ৰীষ্টানবস্তি জে এফ এম চিবাসীৰ জীৱিকা নিৰ্বাহৰ উপায়সমূহ তলত দিয়া ধৰণে শ্ৰেণীকৰণ কৰা হৈছে।

- বিশেষ উপাৰ্জন ক্ষেত্ৰৰ পৰা পোৱা বৰঙণিৰ পৰা জে এফ এম চিৰ সৰ্বমুঠ আয় আহৰণ
- আয় গোটৰ শতকৰা বিনিয়োগ বিশেষ জীৱিকাৰ কামকাজত
- অগ্ৰাধিকাৰ ভিত্তিত সম্ভাব্য জীৱন প্ৰণালীৰ কাৰ্যকলাপৰ স্থানাংক নিৰ্ধাৰণ

## ১০. পি আৰ এ অনুশীলনৰ মাধ্যমেৰে অগ্ৰাধিকাৰৰ স্থানাংক নিৰ্ধাৰণ

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | আই আই ই গুৱাহাটীৰ এটা দলে খ্ৰীষ্টানবস্তি গাঁৱত চলোৱা পি আৰ এ অনুশীলনৰ সবিশেষ—<br>**তাৰিখ** ঃ ৭-০৬-২০১৬। **স্থান** ঃ খলিয়াবাবা মন্দিৰ<br>**উপস্থিতিৰ সংখ্য** ঃ ৪৫ গৰাকী।<br>**উপস্থিতি** ঃ জে এফ এম চিৰ সভাপতিৰ উপস্থিতিত জে এফ এম চিৰ সদস্য সম্পাদক, সম্প্ৰদায় সদস্য, বন বিভাগৰ বিষয়া-কৰ্মচাৰী আদি। |
| **পি আৰ এৰ উদ্দেশ্য** | অনুশীলনৰ উদ্দেশ্য আছিল বৰ্তমানৰ পৰিয়ালসমূহৰ অৱস্থা অধ্যয়ন আৰু গাঁওবাসীৰ জীৱিকা উন্নয়নৰ পদক্ষেপ আৰু বনোন্নয়ন পৰিকল্পনাৰ বাবে প্ৰাথমিক তথ্য সংগ্ৰহ। |
| **পি আৰ এত ব্যৱহৃত আহিলা আৰু অনুশীলনৰ ফলাফল** | অনুশীলনৰ বাবে ভিন্ন আহিলা ব্যৱহাৰ কৰা হৈছিল—এইসমূহ হ'ল ঃ<br>সামাজিক মানচিত্ৰায়ন<br>সম্পদ স্থানাংক<br>সময়ৰেখা পৰ্যবেক্ষণ<br>জীৱিকাৰ ঋতু সম্পৰ্কীয়তা |

<table>
<tr><td></td><td>ভেন ডায়েগ্ৰাম<br>পৰিশিষ্ট-৩ বিতং তথ্য প্ৰদান কৰা হৈছে ।</td></tr>
<tr><td>স্থানাংক</td><td>
স্থানাংক নিৰ্ণায়ক অনুশীলন আছিল এনেধৰণৰ<br>
■ জীৱিকা আৰু দক্ষতা উন্নয়ন<br>
■ জীৱিকা আৰু দক্ষতা উন্নয়নৰ প্ৰাৰম্ভিক কাৰ্যসূচী (ই পি এ)<br>
পৰিশিষ্ট- ৩ত বিস্তৃত বৰ্ণনা আছে।<br>
জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক<br>
ক) মৌ পালন।<br>
খ) খাদ্য প্ৰস্তুতকৰণ<br>
গ) কাপোৰ চিলোৱা।<br>
ই পি এৰ স্থানংক
<table>
<tr><th>ক্ৰমিক নং</th><th>স্থানাংক অনুসাৰে গাঁৱৰ ই পি এ</th><th>বৰ্ণনা (পৰিশিষ্ট-৩ত অতিৰিক্ত বৰ্ণনা)</th><th>পুঁজিৰ সম্ভাৱনীয় উৎস /বিভাগ</th></tr>
<tr><td>১</td><td>অনাময়</td><td>প্ৰত্যেক ঘৰলৈ কম খৰচী চেনিটেৰী শৌচাগাৰ</td><td>স্বচ্ছ ভাৰত মিছন/পি এইছ চি</td></tr>
<tr><td>২</td><td>পথ যোগাযোগ</td><td></td><td>পি এম জি এছ ৱাই</td></tr>
<tr><td>৩</td><td>স্বাস্থ্য কেন্দ্ৰ</td><td></td><td>এন এইছ এম/এইচ এণ্ড এফ ডব্লিউ</td></tr>
<tr><td>৪</td><td>খোৰাপানী</td><td></td><td>ই পি এ<br>এ পি এফ বি চি<br>এন আৰ ডি ডব্লিউ পি</td></tr>
<tr><td>৫</td><td>বিদ্যালয়</td><td></td><td>এছ,এছ,এ, প্ৰাথমিক শিক্ষা বিভাগ</td></tr>
</table>
■ প্ৰাৰম্ভিক জীৱিকা কাৰ্যক্ৰমৰ প্ৰচাৰৰ বাবে ই পি এ পুঁজিৰ পৰা কৰ্মসূচী পুঁজিত দুই লাখ টকা ৰখাৰ ব্যৱস্থা ।<br>
■ এটা নিম্ন সম্প্ৰদায়ৰ কামৰ চলি থকা জে এফ এম চি কাৰ্যালয় জে এফ এম চি এলেকাৰ অন্তৰ্গত সাজিব লাগিব সা-সৰঞ্জাম, যন্ত্ৰপাতি, মেচিন আদিৰ বাবে ভালেদৰে ৰাখিবলৈ আৰু দ্বায়িত্ব দিবলৈ।
</td></tr>
</table>

| | |
|---|---|
| **জীৱিকা অৰ্জনৰ সম্ভাৱনীয়তাসমূহ** | জীৱিকা অৰ্জনৰ সুবিধাসমূহ তলত দিয়াৰ দৰে চিনাক্ত কৰা হৈছে ঃ<br>* এন টি এফ পি<br>* দক্ষতা বিকাশ<br>* ঋণৰ সুবিধা<br>অতিৰিক্ত আলোচনা এই সম্পৰ্কত তলত দিয়া হ'ল। |
| **কৃষি আৰু উদ্যানশস্য** | **তথ্য ঃ ২ৰ তালিকা ঃ ১২ৰ** পৰা কৃষি আৰু উদ্যানশস্যত এই সম্পৰ্কীয় সুবিধাসমূহ পাব পাৰি।<br>মূল প্ৰতিবন্ধকতাসমূহ<br>(ক) অ-পৰ্য্যাপ্ত বৰষুণ<br>(খ) বন্যপ্ৰাণীৰ উপদ্ৰপ<br>(গ) সাৰ, কীটনাশক দ্ৰব্যৰ নিচেই কম প্ৰয়োগ<br>ইয়াৰ সুবিধাসমূহ—<br>(ক) বিপণনৰ সক্ৰিয় কেন্দ্ৰলৈ ওচৰ, অৰ্থাৎ গুৱাহাটী<br>(খ) নতুন প্ৰযুক্তি আৰু কৃষিকৰ্মৰ সৰঞ্জামসমূহৰ প্ৰচলন।<br>(গ) বৈচিত্ৰপূৰ্ণ কৃষিশস্য উৎপাদিত সামগ্ৰীৰ বাঢ়ি অহা চাহিদা<br>ল'বলগা আঁচনিৰ পৰামৰ্শঃ<br>ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ<br>কৃষি উন্নয়ন কাৰ্যসূচী<br>কীটনাশক, বৰ্ণসংকৰ খেতিৰ প্ৰশিক্ষণ |
| **পশুধন** | তালিকা-**১৩**ত এই পশুধন সম্পৰ্কীয় অতিৰিক্ত তথ্য দিয়া হ'ল।<br>মূল প্ৰতিবন্ধকতাসমূহ—<br>ক) দুৰ্বল আৰ্থিক অৱস্থাৰ হেতু বজাৰৰ পৰা মৌপালনৰ সা-সৰঞ্জাম ক্ৰয় কৰাত অসমৰ্থ।<br>খ) মৌপালনৰ সম্পৰ্কীয় জ্ঞান কম।<br>গ) মৌ উৎপাদনৰ চাহিদা বাঢ়ি অহা জ্ঞানৰ অভাৱ<br>ইয়াৰ সুবিধাসমূহ—<br>ক) উপাৰ্জন সৃষ্টিৰ কাৰ্যসূচী।<br>খ) ভাল ঘৰুৱা বজাৰ<br>গ) প্ৰজননত সহায়<br>পৰামৰ্শ ঃ<br>মৌপালনৰ প্ৰশিক্ষণ। |
| **এন ডব্লিউ এফ পি** | **তথ্য ঃ ২ৰ তালিকা ঃ ১৪**ত এন ডব্লিউ এফ পিৰ সুবিধাসমূহৰ বিস্তৃত তথ্য আছে।<br>মূল প্ৰতিবন্ধকতা ঃ<br>ক) এন ডব্লিউ এফ পিৰ পৰ্যাপ্ততা কম<br>খ) কাৰিকৰী জ্ঞানৰ অভাৱ<br>গ) কাৰিকৰী জ্ঞান নাই। |

| | |
|---|---|
| | ঘ) সংসাধন গোট নাই।<br>সম্ভাৱনাসমূহ ঃ<br>ক) সাৰুৱা মাটিৰ উপলব্ধতা।<br>খ) বনৌষধি উৎপাদন সামগ্ৰীৰ বাঢ়ি অহা চাহিদা<br>পৰামৰ্শসমূহ<br>ক) খাদ্যশস্যৰ গছ ৰোপণ<br>খ) ঔষধি গছ ইত্যাদি |
| **বিশেষ দক্ষতা** | **তথ্য ঃ ২ৰ তালিকা ঃ ১৫**ত দক্ষতা বিকাশৰ সম্ভাৱনাসমূহৰ বিস্তৃত তথ্য আছে।<br>মূল প্ৰতিবন্ধকতা ঃ<br>ক) উৎপাদিত সামগ্ৰীৰ বিবিধতাৰ অভাৱ।<br>খ) দ্ৰব্যৰ গুণগত মানৰ গৱেষণাৰ অভাৱ।<br>গ) টি কিউ এম কৌশলৰ অভাৱ<br>ইয়াৰ সম্ভাৱনাসমূহ<br>ক) ভাল যোগাযোগ ব্যৱস্থাৰ উপলব্ধ কৰা<br>খ) দক্ষ লোকসকলৰ প্ৰশিক্ষণ<br>গ) চৰকাৰৰ পৰা বিত্তীয় সাহায্য<br>পৰামৰ্শসমূহ ঃ<br>■ আধুনিক সা-সৰঞ্জামৰ প্ৰশিক্ষণ<br>■ গাঁওবাসীৰ বাবে আধুনিক প্ৰযুক্তিৰ ব্যৱস্থা<br>■ দক্ষতা বিকাশ আৰু নতুন উৎপাদন বিকাশ আৰু উৎপাদন বিবিধতাৰ প্ৰশিক্ষণ<br>■ কেঁচামালৰ ভঁৰাল স্থাপন<br>■ উৎপাদিত সামগ্ৰী প্ৰাতিষ্ঠানিক ক্ৰেতাৰ বাবে বৃহৎ পৰিমাণত দিয়াৰ ব্যৱস্থা |
| **ঋণৰ সুবিধা** | **তথ্য ঃ ২ৰ তালিকা ঃ ১৬**ত এই বিষয়ে আলোচনা কৰা হৈছে।<br>ইয়াৰ মূল প্ৰতিবন্ধকতাসমূহ হ'ল ঃ<br>ক) বিত্তীয় ঘাটি<br>খ) অসংগঠিত ঋণ দিওতাৰ উচ্চ সুতৰ হাৰ<br>সম্ভাৱনাসমূহ ঃ<br>ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>খ) যাৱতীয় সজাগতা<br>পৰামৰ্শ ঃ<br>নিকটৱৰ্তী অঞ্চলত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন |

| | |
|---|---|
| **কৌশলগত হস্তক্ষেপ** | জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে ওপৰত উল্লিখিত পৰামৰ্শমূলক কাৰ্যসূচীসমূহ কৌশলগত হস্তক্ষেপ হিচাপে সাৰাংশ কৰা হৈছে ঃ<br>১) **কৃষি আৰু উদ্যানশস্য ঃ** ট্ৰেক্টৰ পৰিচালনা প্ৰশিক্ষণ, কৃষি দক্ষতা উন্নয়ন কাৰ্যসূচী, কীটনাশক সাৰ আৰু বৰ্ণসংকৰ কৃষিৰ সন্দৰ্ভত প্ৰশিক্ষণ।<br>২) **পশু পালন ঃ** গো-পালন, ছাগলী পালন, কুকুৰা পালন<br>৩) **বিশেষ দক্ষতা ঃ** আধুনিক সা-সঁজুলিৰ প্ৰশিক্ষণ, গাঁওবাসীক আধুনিক প্ৰযুক্তিবিদ্যা উপলব্ধ কৰোৱা। উৎপাদন বৃদ্ধি আৰু উৎপাদিত দ্ৰব্যৰ বিবিধতা প্ৰদানৰ বাবে গাঁওবাসীৰ দক্ষতা উন্নয়ন আৰু প্ৰশিক্ষণ, কেঁচামালৰ সঞ্চয় ঘৰ স্থাপন, প্ৰাতিষ্ঠানিক ক্ৰেতাৰ লগত উৎপাদিত সামগ্ৰী বিক্ৰীৰ সুব্যৱস্থা কৰা।<br>৪) **ঋণ সুবিধা ঃ** কাষৰীয়া অঞ্চলত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

| ১১. জীৱিকা উন্নয়ন পৰিকল্পনা | |
|---|---|
| **উপাৰ্জন সৃষ্টি কাৰ্যসূচী** | জে এফ এম চিত পৰিকল্পনা কৰা মূল জীৱিকা সৃষ্টি কাৰ্যসূচীসমূহ হ'ল ঃ<br>১) মৌপালন<br>২) খাদ্য সংসাধন<br>৩) কাপোৰ চিলাই<br>৪) গাড়ী চালনা |
| **আত্মসহায়ক গোটৰ কাৰ্যকলাপ** | গাঁৱৰ আত্মসহায়ক গোটসমূহে তলৰ কাৰ্যসূচীসমূহ পৰিকল্পনা কৰিব পাৰে ঃ<br>জে এফ এম চিত কোনো আত্মসহায়ক গোট গঠন হোৱা নাই |
| **শিক্ষাৰ উদ্দেশ্যে ভ্ৰমণ** | শিক্ষাৰ উদ্দেশ্যে ভ্ৰমণ তলত দিয়াৰ দৰে কাৰ্যসূচীসমূহৰ পৰিকল্পনা কৰিছে<br>১) নাই।<br>২) নাই।<br>**উৎস ঃ তথ্য ঃ ৪ৰ তালিকা ঃ ৩৪** |
| **কৰ্মসূচীৰ সাৰাংশ** | পৰৱৰ্তী পৃষ্ঠাত সংলগ্ন কৰা হৈছে। |
| **সংপৃক্তকৰণ** | পৰিকল্পিত পদক্ষেপসমূহ ভাৰত চৰকাৰৰ তলত উল্লিখিত আঁচনিসমূহেৰে সংপৃক্ত কৰিব পাৰি ঃ<br>ক) ৰাষ্ট্ৰীয় গ্ৰাম নিয়োগ নিশ্চিতকৰণ আঁচনি (National Rural Employment Guarantee Scheme) — গ্ৰাম্য নিয়োগৰ কাৰণে<br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (Rashtriya Krishi Vikas Yojana) — কৃষি আৰু সংলগ্ন ক্ষেত্ৰৰ বিকাশৰ বাবে।<br>গ) স্বৰ্ণজয়ন্তী গ্ৰাম সৰোজগাৰ যোজনা (S J G S Y) — জলসিঞ্চন আৰু বেছিনৰ কাৰণে।<br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান (National Rural Livelihoods Mission)<br>ঙ) দক্ষতা বিকাশ আঁচনি (Skills Development Programme)<br>চ) গ্ৰামোন্নয়ন আৰু জীৱিকাৰ বাবে পোৱা উপযোগী অন্যান্য আঁচনি।<br>উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাক সহায় কৰাৰ লগতে ভৱিষ্যৎ প্ৰকল্পতো সহায় কৰিব। |

## ১২. খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনা

খ্ৰীষ্টানবস্তি জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলত বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, পৰিৱেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা; এক বহনক্ষম ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

### ১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

খ্ৰীষ্টানবস্তি জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা জে এফ এম চিক গতাই দিয়া বনাঞ্চলসমূহ।

খ) বৃক্ষৰোপিত আৰু বৃক্ষৰোপণ কৰিবলগা সামূহিক ভূমি আৰু অন্যান্য ভূমি (বনাঞ্চলৰ ভিতৰৰ আৰু বনাঞ্চলৰ বাহিৰৰ)

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ১.১। বনাঞ্চল আৰু ইয়াৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ প্ৰফ'ৰ্মা-৩ৰ অধীনত তালিকা-৩.১ত দাখিল কৰা হৈছে **('বনোন্নয়ন পৰিকল্পনা')**, যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, খ্ৰীষ্টান বস্তি জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰাংশ কৰা হৈছে।

**তালিকা-১ ঃ খ্ৰীষ্টান বস্তি জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| আৰ এফ / পি এফ, নামঃ লামডিং বনাঞ্চল বীট ঃ বৰলংফুৰ কম্পাৰ্টমেণ্ট | ৩০০ হেক্টৰ | ৫কিঃমিঃ | ভাল এলেকা ঃ ৩০০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ নাই | ৩-৬ মাহৰ |
| **(খ) অন্যান্য ৰোপিত এলেকা** | | | | |
| **মুঠ** | ৩০০ হেক্টৰ | | ভাল এলেকা ঃ ৩০০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ নাই | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, তালিকা ৩.১** / বন বিষয়া আৰু গাঁওবাসীৰ সৈতে আলোচনা

ইয়াৰ পৰা দেখা গ'ল যে খ্ৰীষ্টান বস্তি জে এফ এম চিৰ অন্তৰ্গত ৩০০ হেক্টৰ বনাঞ্চল ভাল আৰু ক্ষতিগ্ৰস্ত এলেকা নাই।

**১.২। বনভূমিৰ প্ৰকাৰ ঃ**

খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বনাঞ্চল সাৰুৱা প্ৰকৃতিৰ ভূমিত অৱস্থিত, ইয়াৰে কিছু আভাস তলত দাঙি ধৰা হ'ল।

**তালিকা- ২ ঃ খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বনভূমিৰ প্ৰকাৰ**

| **পৰিমাপ** | **ন্যস্ত বনাঞ্চলৰ অৱস্থা** | **বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা** |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ২.৩ পৰা ২.৯৪% জৈৱিক। ইয়াত এন, পি ২০৫ আৰু কে২০ উৰ্বৰতাত থকাতকৈ কম | নাই |
| ভূমি ক্ষয়ৰ অৱস্থা | — | — |
| উপস্থিতি ঃ | ১৫% | নাই |
| (ক) পলস | ২০% | নাই |
| (খ) বোকামাটি | নিম্ন | নাই |
| (গ) ন-উৰ্বৰ ভূমি | ৬৫% | নাই |
| (ঘ) বালিচাহি | | |

**উৎস ঃ প্ৰফৰ্মা-৩, 'খ বন ভূমিৰ প্ৰকাৰ।'** বন বিভাগৰ বিষয়া আৰু গাঁওবাসীৰ সৈতে আলোচনা

খ্ৰীষ্টানবস্তি জে এফ এম চি ৰ বনাঞ্চলৰ সাৰুৱা মাটিৰ সাৰাংশ তলত দিয়া হ'ল ঃ

ক) এণ্টিছল (৩২.৩ শতাংশ)

খ) ইনচেপ্টিছলছ (৪৯.৩ শতাংশ)

গ) আলফিছলছ (১২.৩ শতাংশ)

ঘ) আলটিছলছ (৬.১ শতাংশ)

**১.৩ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত দিয়া হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলসমূহ সংৰক্ষিত বনাঞ্চলৰ শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা ৩ ঃ খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

| **প্ৰজাতি** | **স্থানীয় নাম** | **বৈজ্ঞানিক নাম** |
|---|---|---|
| মুখ্য বন প্ৰজাতি | চেগুণ | টেক্টনা গ্ৰেণ্ডিছ লিন |
| | শাল | ছৰিয়া ৰবুছতা |
| সংলগ্ন | অৰ্জুন | টাৰমিনালিয়া অৰ্জুন |
| | বগীপমা | বগীপমা |
| গুল্ম | | |
| ঔষধি উদ্ভিদ | আমলখি | ফিলানথাছ এমব্লিকা |
| | অৰ্জুন | টাৰমিনালিয়া অৰ্জুন |
| | নিম | আজাদ্ৰিএক্টনিডিকা |
| উৎপাদন | পাহাৰী জাতি বাঁহ | অক্সিটেনথেৰা পাৰ্ভিফলিয়া |
| | দুলু বাঁহ | স্কিজ'ষ্টেচিয়াম দুলুআ |
| | আমলখি | এমব্লিকা অফিচিনালিছ |
| | হলখ | টাৰ্মিনেলিয়া মাইৰিঅ'কাপৰা |
| | হোলোং | ডিপটেৰিঅ'কাৰপাছ মেক্ৰ'কাৰপাছ |
| | অৰ্জুন | টাৰমিনালিয়া অৰ্জুন |
| | আগৰ | একুইলাৰিয়া আগালোছা |
| অন্যান্য, যদি আছে | | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'গ।** বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ/ বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

-

২। **বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী**

তলৰ উপশাখাসমূহত খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচীসমূহ দিয়া হ'লঃ

২.১। **জে এফ এম চিৰ অতীতৰ সুৰক্ষা ব্যৱস্থা**

খ্ৰীষ্টানবস্তি জে এফ এম চিত অতীত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক) জড়িত পৰিয়াল সংখ্যা ঃ ১০০

খ) জড়িত লোকৰ সংখ্যা ঃ ১৭০

গ) গৃহীত ব্যৱস্থাৰ সাৰাংশ ঃ জে এফ এম চি এলেকাত টহলৰ ব্যৱস্থা

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ উপলব্ধ নহয়

**উৎস ঃ** প্ৰফ'মা-৩ জে এফ এম চিৰ মৰ্যাদা ঃviii বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

২.২। **বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ খ্ৰীষ্টানবস্তি জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কিভাৱে চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | উচ্চ | ৬০-৭০ কিঃ গ্ৰাঃ /বছৰি | | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | নিম্ন | ২ টা / বছৰি | | বনাঞ্চল |
| কৃষি সঁজুলিৰ বাবে সৰু কাঠ | — | — | — | — |
| খুঁটা / বাঁহ | নিম্ন | ২ টা / বছৰি | | বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | নিম্ন | ৪ কিঃ / মাহত | | বনাঞ্চল |
| এন টি এফ পি | — | — | — | — |
| অন্যান্য | — | — | — | — |

**উৎস ঃ** তথ্য-৩, তালিকা ঃ ৩.২ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

খ্ৰীষ্টানবস্তি জে এফ এম চিত মুঠ ২০০ ঘৰ পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা এইটো গম পোৱা যায় যে খ্ৰীষ্টানবস্তি গাঁৱৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজৰ ব্যৱহাৰৰ বাবে তলত দিয়া ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ খ্ৰীষ্টানবস্তি জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ১৪০০০ | - |
| ঘৰৰ বাবে কাঠ | ৪০০ ডাল প্ৰতি বছৰে | ডিচে-জানু |
| খুঁটা / বাঁহ | ৪০০ ডাল প্ৰতি বছৰে | ডিচে-জানু |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ৯৬০০ | বছৰজুৰি |
| এন টি এফ পি | — | — |
| অন্যান্য | — | — |

উৎস ঃ তালিকা ঃ ৪ (ক) ওপৰত আৰু সম্প্ৰদায়ৰ নথিৰ পৰা সম্পূৰ্ণ পৰিয়ালৰ সদস্য ঃ

(*) গড় হিচাপে থুলমূল কৈ পৰিয়ালৰ প্ৰয়োজনীয় পৰিমাণ তালিকা ঃ ৪ (ক) ৰপৰা ×— পৰিয়ালসমূহ।

**২.৩। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন**

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। খ্ৰীষ্টানবস্তি জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ খ্ৰীষ্টানবস্তি জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | - | - | - | - |
| ঘৰৰ বাবে কাঠ | — | — | — | — |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | - | - | - | - |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — | — |
| এন টি এফ পি | - | - | - | - |
| অন্যান্য | — | — | — | — |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন— অতিৰিক্ত তথ্য খ্ৰীষ্টানবস্তি জে এফ এম চি**

| বনজ উৎপাদনৰ নাম | উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ) | কেনেদৰে বিপণন কৰা হয় | বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয় |
|---|---|---|---|
| কাঠখৰি | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| লাখুঁটি | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

২.৪। **বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে**

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত খ্ৰীষ্টানবস্তি জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ’ল।

**তালিকা- ৬ ঃ খ্ৰীষ্টানবস্তি জে এফ এম চিৰ গাঁওবাসীৰ বনজ উৎপাদনৰ মুঠ চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা (বাৰ্ষিক কিঃ গ্ৰাঃ) তাৰিকা-৪ (খ)ৰ পৰা | উদ্বৃত্ত বিপণন কৰা হৈছে তালিকা-৫ (খ)ৰ পৰা | মুঠ চাহিদা (কিঃ গ্ৰাঃ) |
|---|---|---|---|
| কাঠখৰি | ১৪০০০ | - | ১৪০০০ |
| ঘৰৰ বাবে কাঠ | ৪০০ টা | | ৪০০ টা |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | ৪০০ টা | | ৪০০ টা |
| খুঁটি | — | | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ৯৬০০ | - | ৯৬০০ |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

## ৩।	বন সুৰক্ষা সংক্ৰান্তীয় বিষয়

### ৩.১।	সুৰক্ষা সমস্যাসমূহ

খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বন সুৰক্ষা সংক্ৰান্তীয় বিষয়সমূহ**

| **সমস্যাৰ ধৰণ** | **প্ৰাসংগিক (হয়/নহয়)** | **গুৰুত্ব (হয়/নহয়)** |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনিভাৱে কাঠকটা | নহয় | নহয় |
| কাঠ চোৰাং চালান | নহয় | নহয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | হয় | হয় |
| বনভূমি বেদখল | হয় | হয় |
| অন্যান্য (বন্যপ্ৰাণী চোৰাং চিকাৰ) | হয় | হয় |

**উৎস ঃ** প্ৰ'ফৰ্মা-৩, তালিকা-৩.৫/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে, উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সংক্ৰান্তীয় বিষয়ত সন্মুখীন হোৱা বৈশিষ্ট্যসমূহ হ'ল—

ক)	স্থানীয় পশুৰ চাৰণ ভূমি

খ)	বনত দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড

গ)	বনভূমিৰ বেদখল

## ৪। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

তলত উল্লেখ কৰা উপ-বিভাগত খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বন উন্নয়ন পৰিকল্পনাৰ প্ৰধান বিষয়সমূহ তলত উল্লেখ কৰা হ'ল। এইবোৰ হৈছে যেনে— সুৰক্ষাৰ পৰিকল্পনা, বনাঞ্চল উন্নয়ন (নিৰাময়), নাৰ্ছাৰী উন্নয়ন, ৰক্ষণাবেক্ষণ আৰু বিবিধ প্ৰকাৰৰ কাম-কাজ।

### ৪.১। সুৰক্ষা পৰিকল্পনা

সুৰক্ষা পৰিকল্পনাৰ বিষয়সমূহ তলত দিয়াৰ দৰে— খ্ৰীষ্টানবস্তি জে এফ এম চিৰ বন সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহ পূৰ্বে আলোচিত উপ-শাখা ৩.১ৰ পৰা আলোচনা কৰা হৈছে।

**তালিকা- ৮ ঃ খ্ৰীষ্টানবস্তি জে এফ এম চিৰ সুৰক্ষা পৰিকল্পনা**

| সুৰক্ষা কৰ্ম (প্ৰযোজ্য হিচাপে প্ৰফ'ৰ্মা-৩ৰ তালিকা ৩.৭ৰ পৰা পূৰণ কৰা হ'ব | বনাঞ্চল এলেকাৰ অৱস্থিতি | ব্যৱস্থা গ্ৰহণৰ সংখ্যাগত মান নিৰ্ণয় (দৈৰ্ঘ্য, আয়তন, আকাৰ ইত্যাদি) | সময়-কাল | অগ্ৰাধিকাৰ (উচ্চ /মধ্যম/নিম্ন) |
|---|---|---|---|---|
| পহৰাদাৰ নিয়োগ | সংৰক্ষিত বনাঞ্চল | | পুৰা-গধূলি | নিম্ন |
| অগ্নি সুৰক্ষা | | | | |
| তথ্য যোগানকাৰীক পুৰস্কাৰ | | | | |
| বেৰা-সামাজিক বেৰা | | | | |
| গৰু ম'হ, তৃণভোজী ৰুধিব পৰা খাল | | | | |
| ঘূৰণ চাৰণ পথাৰ | | | | |
| পশুপালত খাদ্য যোগান | | | | |

**উৎস ঃ** প্ৰফ'মা-৩ তালিকা-৩.৭ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

এইদৰে দেখা গ'ল, খ্ৰীষ্টানবস্তি জে এফ এম চি নিম্নোক্ত গুৰুত্বপূৰ্ণ সুৰক্ষা ব্যৱস্থা গ্ৰহণৰ পৰিকল্পনা (উচ্চ/মধ্যম অগ্ৰাধিকাৰসহ) গ্ৰহণ কৰা হৈছে ঃ

ক) পহৰাদাৰ নিযুক্তি

### ৪.২। প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ

খ্ৰীষ্টানবস্তি জে এফ এম চি-ৰ বনাঞ্চলৰ ক্ষতিগ্ৰস্ত এলেকাসমূহৰ নিৰাময়ৰ বাবে প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ তলত উল্লেখ কৰা হ'ল।

**তালিকা- ৯ ঃ খ্ৰীষ্টানবস্তি জে এফ এম চি-ৰ প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ**

| নিৰাময় ব্যৱস্থা | প্ৰয়োজনীয় (হয়/নহয়) | জে এফ এম চি-ৰ দায়িত্ব (হয়/নহয়) | মাহ/বছৰ যেতিয়া কৰিব পাৰি | নিৰাময় ব্যৱস্থাৰ বাবে প্ৰস্তাৱিত বৰ্ধিত এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| ক্ষতিগ্ৰস্ত বনাঞ্চলৰ পুনৰুদ্ধাৰ | নহয় | নহয় | নহয় | - |
| কটা গছৰ গুৰিৰ সুৰক্ষা | হয় | হয় | যিকোনো সময়ত | |
| জল বিভাজিকা নিৰাময় | হয় | হয় | যিকোনো সময়ত | |
| জলাধাৰ | হয় | হয় | যিকোনো সময়ত | |
| ঘাঁহ আৰু তৃণভূমিৰ কাম | নহয় | নহয় | নহয় | |
| বাঁহ ৰোপণ | নহয় | নহয় | নহয় | |
| বীজ সিঁচা | হয় | হয় | জুন-জুলাই | |
| শিপা আৰু অংকুৰ কটা আৰু ৰোপণ | হয় | হয় | জুন-জুলাই | |
| কলম আৰু নিৰাময় | নহয় | নহয় | নহয় | |
| প্ৰাচীৰ বা কাঁইটীয়া তাঁৰৰ বেৰ | নহয় | নহয় | নহয় | |
| সামাজিক বেৰ | নহয় | নহয় | নহয় | |
| অন্যান্য কাম-কাজ | নহয় | নহয় | নহয় | |

**উৎস ঃ** প্ৰফ'মা-৩ তালিকা-৩.৯ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

এইদৰে তলত নিৰাময় ব্যৱস্থাসমূহ মূৰাবস্তি জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বাবে প্ৰস্তাৱ দিয়া হৈছে।

ক) বীজ সিঁচা, (খ) শিপা আৰু অংকুৰ কটা আৰু ৰোপণ

গ) ক্ষতিগ্ৰস্ত বনভূমি পুনৰুজ্জীৱিতকৰণ, (ঘ) গছৰ কলম কটা সুৰক্ষা

(ঙ) জলবিভাজিকা নিৰাময়, (চ) পানী সংৰক্ষণ

**৪.৩। বনাঞ্চল উন্নয়ন পৰিকল্পনা— অগ্ৰিম কাম-কাজ আৰু বন সৃষ্টি**

ওপৰত উল্লেখ কৰা বিষয়সমূহৰ সৈতে সংশ্লিষ্ট বিষয়বিলাক তলত দিয়া তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা- ১০ ঃ খ্ৰীষ্টানবস্তি জে এফ এম চি-ৰ বনাঞ্চল উন্নয়ন পৰিকল্পনা**

| নিৰাময় ব্যৱস্থা | ৰোপণৰ বাবে হেক্টৰৰ হিচাপত নিৰ্দ্ধাৰিত এলেকা | ব্লক ৰোপণৰ বাবে অগ্ৰাধিকাৰ | প্ৰজাতি | স্থান ব্যৱধান (মিঃ × মিঃ) |
|---|---|---|---|---|
| প্ৰাকৃতিকভাৱে পুনৰ সৃজনত সহৃদয়তা (ৰোপণৰ স্থান ব্যৱধানসহ) আবদ্ধ ৰোপণ | ২৫ হেক্টৰ | হয় | চেগুণ, কাঠখৰি | ২*২ মিঃ |
| ব্লক ৰোপণ | ১৫০ হেক্টৰ | হয় | চেগুণ, কাঠখৰি | ২*২ মিঃ |

| | | | | |
|---|---|---|---|---|
| নিম, আমলখি, মহুৱা বহেৰা (ভেষজ উদ্ভিদ) | - | - | - | - |
| সমৃদ্ধকৰণ ৰোপণ | - | — | — | — |
| পোনপটীয়া ৰোপণ | | | | |
| অন্যান্য | — | — | — | — |
| মুঠ এলেকা (হে) | ১৭৫ হেক্টৰ | হয় | চেগুণ, কাঠখৰি | ২*২ মিঃ |

**উৎস ঃ** **উৎস ঃ** প্ৰফ'মা-৩ তালিকা-৩.৮ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

৪.৪। **বনাঞ্চল উন্নয়ন — কৰ্ম আঁচনি**

**শাল বৰ্হিভূত সহযোগী প্ৰজাতিসহ বিভিন্ন প্ৰজাতিৰ বৃক্ষৰ ব্লক ৰোপণৰ কৰ্ম আঁচনি**

ৰোপণৰ নাম ঃ শাল বৰ্হিভূত সহযোগী প্ৰজাতিসহ বিভিন্ন প্ৰজাতিৰ বৃক্ষৰ ব্লক ৰোপণ

ৰোপণৰ সময়সীমা ঃ ২০১৬-১৭ৰ পৰা ২০২৫-২৬ (১০ বছৰ)

ৰোপণৰ এলেকা ঃ

স্থান ব্যৱধান ঃ

বৃদ্ধি কৰিবলগীয়া উদ্ভিদৰ সংখ্যা ঃ

ব্লকৰ সংখ্যা ঃ

প্ৰজাতি ঃ

হাৰ ঃ

| বিত্তীয় বৰ্ষ | কাম-কাজ | পৰিমাণ |
|---|---|---|
| ২০১৬-১৭ | পুনৰুজ্জীৱিতকৰণৰ কাৰণে উপযুক্ত স্থান চিহ্নিতকৰণ-স্বাভাৱিকভাৱে বীজ পৰাৰ সম্ভাৱনা পৰীক্ষা-প্ৰাকৃতিক জৈৱিক হস্তক্ষেপ আৰু তীব্ৰতাৰ নিৰ্ণয়- ১০০ হেক্টৰৰ কম নহয়, ডিচেম্বৰ মাহত ভূমিৰ সীমা চিহ্নিতকৰণ, চাৰিটা ব্লকত ভূমি বিভাজন, ভূমি উন্নয়ন, মাটিৰ কাম হেক্টৰ প্ৰতি ১,০০০ টকাত | — |
